কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
# Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১০/২০২৩-২৪
*Ref :*

তাৰিখ : ২৮-০৮-২০২৩
*Date :*

## অসম জাতীয় বিদ্যালয়ত ‘আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতা’ৰ আয়োজন

**নুনমাটি, ২৮ আগষ্ট, ২০২৩ :** পূৰ্বৰ দৰে এই বছৰো অসম জাতীয় বিদ্যালয়ত অহা ১৪ অক্টোবৰ তাৰিখে ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত সাহিত্য দিৱসৰ আয়োজন কৰা হৈছে। সাহিত্য প্ৰতিযোগিতাসমূহ তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ তিনিওটা শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হিচাপে ক্ৰমে ৩০০০, ২০০০ আৰু ১৫০০ টকা নগদ ধনৰ লগতে মূল্যবান গ্ৰন্থৰ টোপোলা আগবঢ়োৱা হ'ব।

**সাহিত্য প্ৰতিযোগিতা**

‘ক’ শাখা— ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ বাবে
ৰথীন্দ্ৰনাথ গোস্বামীৰ ‘পোৱালমণি আৰু চিচিঙৰ দুঃসাহসিক অভিযান’ৰ এটি আলোচনা।
(৭৫০ শব্দৰ ভিতৰত)

**খ শাখা (অষ্টম আৰু নৱম শ্ৰেণী)**
**বিষয় :** ৰুবুল মাউতৰ ‘মোৰো এটা সপোন আছে’ পুথিখনৰ এটি আলোচনা।
(১০০০ শব্দৰ ভিতৰত)

**গ শাখা (দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী)**
**বিষয় :** ‘অসমীয়া সংবাদ পত্ৰৰ ইতিহাস’ (১৫০০-২০০০ শব্দৰ ভিতৰত)

ইচ্ছুক প্ৰতিযোগীসকলে তেওঁলোকৰ লেখাসমূহ অহা ১৫ ছেপ্টেম্বৰ, ২০২৩ তাৰিখ অথবা তাৰ আগতে সোণালী গগৈ আৰু কল্যাণী পাটগিৰি (আহ্বায়িকা) ৰসৰাজ সাহিত্য চ'ৰা, অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-৭৮১০২০ ঠিকনালৈ ডাকযোগে অথবা বিদ্যালয়ৰ email : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব লাগিব। ইচ্ছুক প্ৰতিযোগীসকলে ৯৬৭৮৭৪১২৬৬, ৮৬৩৮২৫৯১২৫ নম্বৰত ফোন কৰিও যোগাযোগ কৰিব পাৰিব। প্ৰতিযোগীসকলে প্ৰতিযোগিতাৰ নিয়মাৱলী বিদ্যালয়ৰ ৱেবছাইট http ://assamjatiyabidyalay.com পাব।

(সোণালী গগৈ)
আহ্বায়িকা
ৰসৰাজ সাহিত্য চ'ৰা
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

(ঘনশ্যাম মোধ)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref :

তাৰিখ : ২৮-০৮-২০২৩
Date :

# সাহিত্য প্ৰতিযোগিতাৰ নিয়মাৱলী

**২০২৩ বৰ্ষৰ ১৪ অক্টোবৰত উদ্‌যাপন কৰিবলগা ‘সাহিত্য দিৱস’ৰ প্ৰতিযোগিতাৰ নিয়মাৱলী :**

১। প্ৰতিযোগীসকলে নিজৰ নাম, ঠিকনা আৰু ফ'ন নম্বৰ স্পষ্টকৈ লিখি পঠিয়াব লাগিব।

২। A4 আকাৰৰ কাগজৰ এটা পিঠিত লেখাসমূহ নিজৰ হাতৰ আখৰেৰে লিখিব লাগিব।

৩। লিখনিত মৌলিকতা প্ৰকাশ পাব লাগিব।

৪। বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকৰ স্বাক্ষৰ সম্বলিত প্ৰমাণপত্ৰ একোখন লগত পঠিয়াব লাগিব।

৫। ৯৬৭৮৭৪১২৬৬, ৮৬৩৮২৫৯১২৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

৬। লেখাসমূহ ১৫/০৯/২০২৩ তাৰিখ বা তাৰ আগত পোৱাকৈ তলৰ ঠিকনাত ডাকযোগে অথবা বিদ্যালয়ৰ email : assamjatiyabidyalay@gmail.com লৈ পঠিয়াব পাৰিব।

**যোগাযোগৰ ঠিকনা :**

সোণালী গগৈ
(সোণালী গগৈ)
আহ্বায়িকা
সাহিত্য দিৱস
অসম জাতীয় বিদ্যালয়
লাষ্টগেট, নুনমাটি, গুৱাহাটী-৭৮১০২০